PH 35 Tapping Systems of Rubber trees (Assamese)

2007

# ৰবৰ গছৰ টেপিং প্ৰণালী

'হিভিয়া ব্ৰেজিলিয়েনচিচ' নামৰ গছৰ পৰা আহৰণ কৰা প্ৰাকৃতিক ৰবৰে বিশ্বৰ ৯০ শতাংশ ৰবৰৰ চাহিদা পূৰণ কৰে। এই গছ বহুবৰ্ষীয় আৰু পূৰ্ণাঙ্গ অৱস্থাত ৩০ বমান উচ্চতা প্ৰাপ্ত হয়। ৰবৰ গছৰ প্ৰায় সকলো অংশতে কম বেছি পৰিমাণে 'লেটেক্স' বা আক্ষীৰ থাকে কিন্তু গা-গছ অংশৰ পৰাহে লেটেক্স আহৰণ কৰি ৰবৰ নিষ্কাষন কৰা হয়।

**টেপিং ঃ** ৰবৰ গছৰ গা-গছ অংশত নিয়ন্ত্ৰিতভাৱে এঢলীয়াকৈ কাটি আক্ষীৰ বা লেটেক্স আহৰণ কৰা পদ্ধতিটোকে 'টেপিং' বুলি কোৱা হয়। বৰ্তমান প্ৰচলিত টেপিং পদ্ধতি পুৰণিকালৰ ব্যৱহৃত বিভিন্ন পদ্ধতিৰ বিকাশ ঘটি হোৱা আৰু বিশ্বৰ ৰবৰ উৎপাদনকাৰী দেশসমূহত বহুলভাৱে প্ৰচলিত। 'হেনৰি নিকলাচ ৰিডলি' নামৰ চিঙ্গাপুৰ জৈৱ উদ্যানৰ ৰক্ষকজনে ১৮৯০ চনতে উলিওৱা পদ্ধতিয়েই আধুনিক টেপিং পদ্ধতিৰ বুনিয়াদ প্ৰতিষ্ঠা কৰে।

**আক্ষীৰ বা লেটেক্স ঃ** ৰবৰ গছৰ বাকলিৰ ঠিক তলতেই থকা কিছুমান ক'লা (কোষৰ সমষ্টি)ৰ পৰা প্ৰস্তুত বগা বা ঈষৎ হালধীয়া বৰণৰ গাখীৰৰ দৰে তৰল পদাৰ্থকে লেটেক্স বা আক্ষীৰ বোলে। ই আচলতে এক জুলীয়া দ্ৰৱ, য'ত সিঁচৰতি বিভিন্ন কণিকাসমূহ পাতল আৱৰণৰ ভিতৰত থাকে। মূখ্য কণিকা ৰবৰৰ প্ৰায় ৩০ ৰ পৰা ৪৫ শতাংশ। ইয়াৰ উপৰিও 'লিউটইড', 'মুক্ত উইচলিং' আদি কণিকা লেটেক্সত সিঁচৰতি হৈ থাকে।

লেটেক্সৰ ৰাসায়ণিক বিশ্লেষণ কৰিলে পোৱা যায় যে ৰবৰ, পানীৰ বাহিৰেও হাইড্ৰেট (শ্বেতসাৰ), প্ৰ'টিন, লিপিদ আৰু জৈৱিক লৱন আদি লেটেক্সত থাকে।

ৰবৰ গছৰ ভিতৰত কেমবিয়াম অংশৰ ওপৰৰ অংশকে বাকলি বোলা হয়।

**বাকলি ঃ** বাকলি তিনিটা স্তৰেৰে গঠিত।

(১) বাহিৰৰ ৰক্ষাকাৰী স্তৰ যি কৰ্ক কোষেৰে গঠিত হয়,

(২) মধ্যবৰ্তী স্তৰ বা টান অংশ, আৰু

(৩) আভ্যন্তৰীণ স্তৰ বা কোমল অংশ।




ৰবৰ উৎপাদন কৰা কোষ বা নলীকাবোৰ মূলতঃ আভ্যন্তৰীণ স্তৰত থাকে। ইয়াৰ তলতেই কেমবিয়াম নামৰ কোষৰ স্তৰ থাকে।

গুটিৰ পৰা পোনপটীয়াকৈ হোৱা গছবোৰৰ তলৰ পৰা ওপৰফালে সৰু হৈ যোৱা আৰু বাকলিও ক্ৰমান্বয়ে ওপৰৰফালে পাতল। এনে গছত লেটেক্স উৎপাদন কৰা নলীকাবোৰ তলৰ অংশতেই বেছিকৈ থাকে। মুকুল সংযোজিত বাডেড পুলিবোৰ তলে ওপৰে সমান আকাৰৰ। এনে গছবোৰত লেটেক্স নলীকাবোৰ প্ৰায় সকলো অংশতেই সমানভাৱে সিঁচৰতি। বাডেড পুলিৰ গছবোৰৰ বাকলি তুলনামূলকভাৱে পাতল।

**লেটেক্স নলীকা ঃ**লেটেক্স নলীকাবোৰ কেমবিয়ামৰ পৰা হোৱা কোষৰ পৰাই হয় আৰু এইবোৰ শাৰী শাৰীকৈ থাকে। এই নলীকাবোৰ সাধাৰণতে পোনে পোনে নাযায়। ঘড়ীৰ কাটাৰ বিপৰীত দিশত প্ৰায় ৩°—৫° বেঁকাকৈ এই নলীকাবোৰ যায়। এই নলীকাবোৰ পৰস্পৰ সংযোগ হৈ থাকে।

**গছৰ মাপ আৰু উচ্চতা ঃ**ৰবৰ গছবোৰৰ পৰা ৰবৰ আহৰণ অৰ্থাৎ টে... কৰা হয় গছবোৰৰ এক নিৰ্দিষ্ট উচ্চতাত এক নিৰ্দিষ্ট পৰিধি প্ৰাপ্ত হ'লেহে। এনে নিৰ্দিষ্ট মাপৰ আগতে টেপিং কৰিলে গছৰ ক্ষতি হয়। ভালদৰে প্ৰতিপালন কৰা এখন ৰবৰ বাগিছাত ৰোপনৰ ৬-৭ বছৰৰ পাছত এনে পৰিধি প্ৰাপ্ত হয়। বাগিছাৰ ৫০% গছ টেপিঙৰ উপযুক্ত নহ'লে টেপিং কৰা লাভজনক নহয়।



সাধাৰণ পুলিৰ গছ মুকুল সংযোজক গছ


সাধাৰণ পুলিৰ গছ মুকুল সংযোজক গছ



লেটেক্স নলীকা আৰু শুদ্ধ টেপিং পদ্ধতি

ৰবৰ আহৰণ কৰাৰ বাবে গছৰ সঠিক মাপ আৰু উচ্চতা তলত দিয়া বৰ্ণনা অনুসৰি হ'ব লাগে।

| বিষয় | মুকুল সংযোজক গছ | সাধাৰণ পুলিৰ গছ |
|---|---|---|
| টেপিঙৰ উচ্চতা | ১২৫ চেঃমিঃ (৫০ইঞ্চি) (বাডিং অংশৰ পৰা) | ৬০ চেঃমিঃ (৩৩ ইঞ্চি) (মাটিৰ পৰা) |
| গছৰ পৰিধি | ৫০ চেঃমিঃ (২০ইঞ্চি) | ৫৫ ছেঃমিঃ (২২ইঞ্চি) |
| টেপিঙৰ আকাৰ | অৰ্দ্ধগোলাকৃতি | অৰ্দ্ধগোলাকৃতি |
| টেপিঙৰ ঢাল | ৩০° বাওঁফালৰ পৰা সোঁফাললৈ | ২৫°বাওঁফালৰ পৰা সোঁফাললৈ |

**টেপিং পেনেলৰ গভীৰতা ঃ** ৰবৰ গছবোৰত সীমিত দ'কৈ বাকলি কাটিব লাগে যাতে বাকলিৰ তলতে থকা লেটেক্স প্ৰবাহী কোষবোৰহে কটা যায়। যিহেতু সৰহসংখ্যক লেটেক্সৰ কোষ কেমবিয়ামৰ ওচৰতহে থাকে, কেমবিয়ামৰ ওচৰলৈকে টেপিং কৰিলে আক্ষীৰ বেছি পোৱা যায়। লক্ষ্য ৰখা উচিত যাতে কেমবিয়ামৰ কোনোপধ্যে ক্ষতি নহয়। কেমবিয়ামৰ ক্ষতি হ'লে বাকলি পুনঃ সৃষ্টি হোৱাত বাধাপ্ৰাপ্ত হয় আৰু বাকলিবোৰ ওখহি উঠে আৰু পুনৰ টেপিং কৰাত বাধাপ্ৰাপ্ত হয়। টেপিং কৰা

**উদ্দীপক দ্ৰব্যৰ দ্বাৰা টেপিং ঃ** যিবিলাক ৰাসায়নিক পদাৰ্থই উদ্ভিদৰ কোষত ইথেলিন প্ৰস্তুতিত সাহায্য কৰে অথবা ইথেলিন প্ৰস্তুত কৰে, তেনে উদ্দীপক দ্ৰব্যৰ প্ৰয়োগ কৰিলে ৰবৰ গছত লেটেক্স উৎপাদন বৃদ্ধি কৰে। ইথেপন নামৰ (বানিজ্যিক নাম ইথৰেল) এনে উদ্দীপক বহুল ভাবে ব্যৱহৃত হয়। সাধাৰণতে এনে উদ্দীপক পুনৰ বাৰ গঠিত বাকলিতহে প্ৰয়োগ কৰা হয়।

**উদ্দীপক প্ৰয়োগৰ প্ৰণালী ঃ**

ইথেপন নামৰ উদ্দীপকত ২-ক্লৰ' ইথাইল ফচফনিক এচিদ নামৰ সক্ৰিয় দ্ৰব ১০% থাকে। এনে উদ্দীপক সাধাৰণতে দ্বিতীয় পেনেলৰ পুনৰ গঠিত বাকলিত (D পেনেল) হে প্ৰয়োগ হয়। প্ৰথম পেনেলৰ পুনৰ গঠিত বাকলিতো (C পেনেল) বছৰি ...ৰ প্ৰয়োগ কৰিব পৰা যায়।

ব্যৱহাৰৰ সময়ত উদ্দীপকক ১০% ৰ পৰা ৫% লৈ পাতল কৰি ল'ব লাগে। উদ্দীপক প্ৰয়োগ প্ৰণালী দুই প্ৰকাৰৰ। সাধাৰণতে চাচিঁলৈ প্ৰয়োগ কৰা হয় অথবা টেপিং পেনেলৰ কটা অংশত পোনপটীয়াকৈ প্ৰয়োগ হয়। ব্ৰাছৰে পাতলকৈ উদ্দীপক সানি প্ৰয়োগ কৰা হয়।

সাধাৰণতে বছৰি দুই বা তিনিবাৰ প্ৰয়োগ (এপ্ৰিল, চেপ্তেম্বৰ আৰু নবেম্বৰ মাহত) কৰা হয়। তিনিবছৰৰ অধিক সময়ৰ বাবে উদ্দীপক একেৰাহে ব্যৱহাৰৰ পাচত বন্ধ কৰিব লাগে।

**সাৱধানতা ঃ**

- দৈনিক টেপিং কৰা গছত উদ্দীপক ব্যৱহাৰ নকৰিব।
- দেৰিলৈকে লেটেক্স ওলাই থকা গছত উদ্দীপক ব্যৱহাৰ নকৰিব।
- বৰষুণৰ বতৰত উদ্দীপক ব্যৱহাৰ নকৰিব।
- আগতে উদ্দীপক কৰা অংশ টেপিং কৰিলেহে নতুন অংশত উদ্দীপক প্ৰয়োগ কৰিব।

**বৰষুণৰ পৰা প্ৰতিৰোধ ঃ** বৰষুণৰ বতৰত টেপিং কাৰ্য্য অব্যাহত ৰাখিবলৈ হলে টেপিং পেনেলৰ ওপৰত এখন পলিথিন/প্লাষ্টিকৰ সাহাৰ্য্যত বৰ্ষাপ্ৰতিৰোধক লগাই টেপিং কৰা হয়। এই ব্যৱস্থাৰ দ্বাৰা অন্তত বছৰি ৩৫/৪০ দিন অধিক টেপিং কৰিব পাৰি।

**বৰ্ষা প্ৰতিৰোধক প্ৰয়োগৰ সামগ্ৰী ঃ**

বিভিন্ন ধৰণৰ বৰ্ষা প্ৰতিৰোধক ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰে ভিতৰত পলিথিনৰ আৱৰণ দিয়া পদ্ধতি অধিক প্ৰচলিত। ইয়াৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰী সমূহ (৩০০ জোপা গছৰ ক্ষেত্ৰত) তলত দিয়া হ'ল—

১। এল ডি পি ই (L D P E) পলিথিন ৩০০ গেজৰ ৪৫ ছেণ্টিমিটাৰ বহল ১২ কেজি।

গুটিৰ পৰা পোনপটীয়াকৈ হোৱা গছবোৰৰ তলৰ পৰা ওপৰফালে সৰু হৈ যোৱা আৰু বাকলিও ক্ৰমান্বয়ে ওপৰৰফালে পাতল। এনে গছত লেটেক্স উৎপাদন কৰা নলীকাবোৰ তলৰ অংশতেই বেছিকৈ থাকে। মুকুল সংযোজিত বাডেড পুলিবোৰ তলে ওপৰে সমান আকাৰৰ। এনে গছবোৰত লেটেক্স নলীকাবোৰ প্ৰায় সকলো অংশতেই সমানভাৱে সিঁচৰতি। বাডেড পুলিৰ গছবোৰৰ বাকলি তুলনামূলকভাৱে পাতল।

**লেটেক্স নলীকা ঃ** লেটেক্স নলীকাবোৰ কেমবিয়ামৰ পৰা হোৱা কোষৰ পৰাই হয় আৰু এইবোৰ শাৰী শাৰীকৈ থাকে। এই নলীকাবোৰ সাধাৰণতে পোনে পোনে নাযায়। ঘড়ীৰ কাটাৰ বিপৰীত দিশত প্ৰায় ৩°—৫° বেঁকাকৈ এই নলীকাবোৰ যায়। এই নলীকাবোৰ পৰস্পৰ সংযোগ হৈ থাকে।

**গছৰ মাপ আৰু উচ্চতা ঃ** ৰবৰ গছবোৰৰ পৰা ৰবৰ আহৰণ অৰ্থাৎ টে[illegible] কৰা হয় গছবোৰৰ এক নিৰ্দিষ্ট উচ্চতাত এক নিৰ্দিষ্ট পৰিধি প্ৰাপ্ত হ'লেহে। এনে নিৰ্দিষ্ট মাপৰ আগতে টেপিং কৰিলে গছৰ ক্ষতি হয়। ভালদৰে প্ৰতিপালন কৰা এখন ৰবৰ বাগিছাত ৰোপনৰ ৬-৭ বছৰৰ পাছত এনে পৰিধি প্ৰাপ্ত হয়। বাগিছাৰ ৫০% গছ টেপিঙৰ উপযুক্ত নহ'লে টেপিং কৰা লাভজনক নহয়।



সাধাৰণ পুলিৰ গছ মুকুল সংযোজক গছ


সাধাৰণ পুলিৰ গছ মুকুল সংযোজক গছ



লেটেক্স নলীকা আৰু শুদ্ধ টেপিং পদ্ধতি

ৰবৰ আহৰণ কৰাৰ বাবে গছৰ সঠিক মাপ আৰু উচ্চতা তলত দিয়া বৰ্ণনা অনুসৰি হ'ব লাগে।

| বিষয় | মুকুল সংযোজক গছ | সাধাৰণ পুলিৰ গছ |
|---|---|---|
| টেপিঙৰ উচ্চতা | ১২৫ চেঃমিঃ (৫০ইঞ্চি) (বাডিং অংশৰ পৰা) | ৬০ চেঃমিঃ (২৪ ইঞ্চি) (মাটিৰ পৰা) |
| গছৰ পৰিধি | ৫০ চেঃমিঃ (২০ইঞ্চি) | ৫৫ ছেঃমিঃ (২২ইঞ্চি) |
| টেপিঙৰ আকাৰ | অৰ্দ্ধগোলাকৃতি | অৰ্দ্ধগোলাকৃতি |
| টেপিঙৰ ঢাল | ৩০° বাওঁফালৰ পৰা সোঁফাললৈ | ২৫°বাওঁফালৰ পৰা সোঁফাললৈ |

**টেপিং পেনেলৰ গভীৰতা ঃ** ৰবৰ গছবোৰত সীমিত দ'কৈ বাকলি কাটিব লাগে যাতে বাকলিৰ তলতে থকা লেটেক্স প্ৰবাহী কোষবোৰহে কটা যায়। যিহেতু সৰহসংখ্যক লেটেক্সৰ কোষ কেমবিয়ামৰ ওচৰতহে থাকে, কেমবিয়ামৰ ওচৰলৈকে টেপিং কৰিলে আক্ষীৰ বেছি পোৱা যায়। লক্ষ্য ৰখা উচিত যাতে কেমবিয়ামৰ কোনোপধ্যে ক্ষতি নহয়। কেমবিয়ামৰ ক্ষতি হ'লে বাকলি পুনঃ সৃষ্টি হোৱাত বাধাপ্ৰাপ্ত হয় আৰু বাকলিবোৰ ওখহি উঠে আৰু পুনৰ টেপিং কৰাত বাধাপ্ৰাপ্ত হয়। টেপিং কৰা

লোকজন প্ৰশিক্ষণপ্ৰাপ্ত আৰু অভিজ্ঞ হোৱা উচিত যাতে কেমবিয়ামৰ ক্ষতি নোহোৱাকৈ গভীৰতালৈ কাটিব পাৰে।

টেপিং কৰাৰ সময়ত আচলতে বাকলি অংশ খুব পাতলকৈ চাচি পেনেলত গোট মাৰি যোৱা লেটেক্সবোৰ গুচাই নলীকাবোৰৰ ঢাকনি মুকলি কৰি দিয়া হয়। সাধাৰণতে এবছৰত ২০-২৩ চেঃমিঃ মান বাকলি ক্ষয় কৰা হয়। টেপিং কৰাৰ কিছুসময় পাছত গছৰ ভিতৰত চলা অন্তৰ্বৰ্তী ক্ৰিয়াৰ ফলত নলীকাবোৰ আপোনা-আপুনি বন্ধ হৈ যায় আৰু আক্ষীৰ নিৰ্গত হোৱা বন্ধ হয়। টেপিং আৰম্ভ কৰাৰপৰা প্ৰায় ছবছৰমান অৰ্দ্ধগোলাকাৰ ভাৱে টেপিং কৰিব পাৰি। ইয়াৰ পাছত গছডালৰ অন্য অৰ্দ্ধগোলাকাৰ অংশত টেপিং কৰা হয়। সময়ৰ লগে লগে টেপিং কৰা অংশৰ বাকলিবোৰ পুনৰ গঠন হয় আৰু পুনঃ টেপিং কৰাৰ উপযোগী হয়।

**টেপিং কৰাৰ সময় ঃ** সাধাৰণতে টেপিং দোকমোকালিতে আৰম্ভ কৰি সূৰ্য্য উদয় হোৱাৰ আগতেই শেষ কৰা উচিত। কিয়নো সূৰ্য্য উদয় হোৱাৰ পাছত লেটেক্স নলীকাবোৰত থকা 'টাৰ্গৰ প্ৰেছাৰ'ৰ পতন ঘটে আৰু আক্ষীৰ নিৰ্গত হোৱা কমি যায়।

**টেপিং কৰা সঁজুলিসমূহ ঃ**

১। **জেবং কটাৰী ঃ** মালয়েছিয়া দেশত এই কটাৰী বেছিকৈ ব্যৱহাৰ হয়। আমাৰ দেশৰ উত্তৰ-পূৰ্বাঞ্চলত এই কটাৰীৰ প্ৰচলন বেছি। এই কটাৰীৰে কম সময়ত অধিক গছত টেপিং কৰিব পাৰি। বাকলি অধিক কটা যায়।

**মিচি গোলজ কটাৰী ঃ** আমাৰ দেশৰ কেৰেলাত এই কটাৰীৰ অধিক ব্যৱহাৰ হয়। খুব কম পৰিমাণে বাকলি কটা যায়।

**গুজ কটাৰী ঃ** গুজ নামৰ এই কটাৰী মালয়েছিয়াত ব্যৱহাৰ হয়।

২। **টেম্পলেট ঃ** টিনৰে তৈয়াৰী গছত নিৰ্দিষ্ট নিৰিখত দাগ দি লব পৰা পাট।

৩। **মাৰ্কিং কটাৰী ঃ** গজালৰ দৰে দাগ কটা সঁজুলি।

৪। **স্পাউট ঃ** টেপিং কৰাৰ ফলত বৈ অহা আক্ষীৰ ভাগ আধাৰত পেলাবৰ বাবে ব্যৱহাৰ কৰা টিনৰ সৰু টুকুৰা (৫×৩ চেঃ মিঃ)।

৫। **কাপ হেঙ্গাৰ ঃ** গছত কাপটো ধৰি ৰাখিবৰ বাবে ব্যৱহাৰ কৰা টাৰৰে সজা আধাৰ।

৬। **কাপ ঃ** লেটেক্স সংগ্ৰহৰ প্লাষ্টিকৰ কাপ।

৭। **বাল্টি ঃ** লেটেক্স সংগ্ৰহ কৰিবৰ বাবে আৱশ্যকীয় বাল্টি।




১. মিচি গোলজ কটাৰী
২. জেবং কটাৰী
৩. গুজ কটাৰী



টেম্পলেট




পৰিধি জোখা সজুলি

**টেপিং আৰম্ভ কৰাৰ প্ৰণালী ঃ**

১। যেতিয়া ৰবৰ গছ সমূহ টেপিং কৰিবৰ উপযুক্ত পৰিধি প্ৰাপ্ত হয়, বাগিছাখনৰ সকলো গছ জোখ লৈ উলিয়াব লাগে যে কিমান শতাংশ পুলি টেপিং উপযোগী হ'ল। ইয়াৰে বাবে এটুকুৰা জোখত কটা টাৰ আৰু বাহেৰে সজা এটা সজুলী নিজেই সাজি ল'ব পাৰি। ৫০% পুলি সঠিক জোখৰ হলেহে টেপিং আৰম্ভ কৰা হয়। সাধাৰণতে নতুন বাগিছা, এপ্ৰিল-মে মাহত টেপিং আৰম্ভ কৰা হয়।

২। টেম্পলেটৰ সহায়ত উপযুক্ত পৰিধি প্ৰাপ্ত গছবোৰ দাগ কাটি ল'ব লাগে।

৩। প্ৰথমবাৰ কমকৈ দ কৰি পাতলকৈ কাটিব লাগে আৰু কটাৰ সময়ত পেনেলৰ পৰা খুব পাতলকৈহে লেটেক্স ওলাব পাৰে। এই পেনেলৰ তলৰ অংশত দীঘলীয়াকৈ এটা লাইন (৭+৮ ইঞ্চিৰ) কাটি স্পাউট আৰু কাপ লগোৱা হ... এতিয়া পাতলকৈ প্ৰথম কটা অংশ গভীৰলৈ দুই তিনিবাৰ কাটিলে লেটেক্স বেছিকৈ ওলাব। লেটেক্স ভাগ ওলাই স্পাউটৰ মাজৰে বাটিত গোট খাব আৰু ইয়াক বাল্টিত সংগ্ৰহ কৰা হয়।

৪। ইয়াৰ পাচত নিৰ্দ্দিষ্ট দিনৰ অন্তৰত খুব পুৱাতেই একেটা পেনেলতে দৈনিক এবাৰ পাতলকৈ চাচি টেপিং কৰা হয়।

**নতুন পেনেলত টেপিং ঃ**

গছডালৰ আধা অংশত টেপিং কৰি কৰি মাটিৰ পৰা ৬/৭ চেণ্টিমিটাৰ ( $2\frac{1}{2}$ /৩ ইঞ্চি) মান পালে বিপৰীত অংশত নতুন পেনেলৰ আৰম্ভ কৰা হয়।

**টেপিংৰ অন্তৰ ঃ**

সাধাৰণতে মুকুল সংযোজিত গছত গছৰ আধা অংশত এদিনৰ অন্তৰে অন্তৰে টেপিং কৰা হয়। অধিক উৎপাদনশীল জাতবোৰত প্ৰথম অৱস্থাত দুদিনৰ অন্তৰে অন্তৰে টেপিং কৰা হয়। এই সময়ত লেটেক্সৰ পৰিমান কম থাকে যদিও, ৰবৰৰ পৰিমান (শুকান ৰবৰ) অধিক থাকে। সঘনাই টেপিং কৰিলে গছবোৰৰ লেটেক্স পেনেল শুকাই 'বাউন বাষ্ট' ৰোগত আক্ৰান্ত হ'ব পাৰে।

**ব্ৰাউন বাষ্ট ঃ** টেপিং কৰাৰ পাছতো কেতিয়াবা কিছুমান গছৰ পৰা লেটেক্স নোলাই বা খুব পাতল লেটেক্স বহুদেৰিলৈকে ওলাই থাকে। টেপিং পেনেল শুকাই যোৱা এনে অৱস্থাক 'ব্ৰাউন বাষ্ট' বোলা হয়। এই বেমাৰৰ কাৰণ এতিয়ালৈকে নিৰ্ণয় হোৱা নাই যদিও অধিক ঘনকৈ 'টেপিং' কৰিলে এই বেমাৰ হোৱা দেখা যায়। গছবোৰ কিছুদিন টেপিং নকৰি বিশ্ৰাম দিলে আগৰ অৱস্থালৈ ঘূৰি অহাৰ সম্ভাৱনা থাকে।

**নিয়ন্ত্ৰিত ভাবে ওপৰলৈ কৰা টেপিং ঃ** যেতিয়া গছৰ তলৰ অংশৰ বাকলি শেষহৈ আহে আৰু গছৰ উৎপাদন ক্ষমতা ক্ৰমাত কমি আহে তেতিয়া নিয়ন্ত্ৰিত ভাবে গছৰ ওপৰ অংশলৈ টেপিং কৰা হয়। এডাল দীঘল নালযুক্ত কটাৰী ইয়াৰ বাবে ব্যৱহাৰ কৰা হয়। এই টেপিং পেনেলৰ দৈৰ্ঘ্যতা হয় গছৰ ১/৪ অংশ আৰু ৪৫° ডিগ্ৰী ঢালত কটা হয়।

**উদ্দীপক দ্ৰব্যৰ দ্বাৰা টেপিং ঃ** যিবিলাক ৰাসায়নিক পদাৰ্থই উদ্ভিদৰ কোষত ইথেলিন প্ৰস্তুতিত সাহায্য কৰে অথবা ইথেলিন প্ৰস্তুত কৰে, তেনে উদ্দীপক দ্ৰব্যৰ প্ৰয়োগ কৰিলে ৰবৰ গছত লেটেক্স উৎপাদন বৃদ্ধি কৰে। ইথেপন নামৰ (বানিজ্যিক নাম ইথৰেল) এনে উদ্দীপক বহুল ভাবে ব্যৱহৃত হয়। সাধাৰণতে এনে উদ্দীপক পুনৰ বাৰ গঠিত বাকলিতহে প্ৰয়োগ কৰা হয়।

**উদ্দীপক প্ৰয়োগৰ প্ৰণালী ঃ**

ইথেপন নামৰ উদ্দীপকত ২-ক্লৰ' ইথাইল ফচফনিক এচিদ নামৰ সক্ৰিয় দ্ৰব ১০% থাকে। এনে উদ্দীপক সাধাৰণতে দ্বিতীয় পেনেলৰ পুনৰ গঠিত বাকলিত (D পেনেল) হে প্ৰয়োগ হয়। প্ৰথম পেনেলৰ পুনৰ গঠিত বাকলিতো (C পেনেল) বছৰি ...ৰ প্ৰয়োগ কৰিব পৰা যায়।

ব্যৱহাৰৰ সময়ত উদ্দীপকক ১০% ৰ পৰা ৫% লৈ পাতল কৰি ল'ব লাগে। উদ্দীপক প্ৰয়োগ প্ৰণালী দুই প্ৰকাৰৰ। সাধাৰণতে চাচিলৈ প্ৰয়োগ কৰা হয় অথবা টেপিং পেনেলৰ কটা অংশত পোনপটীয়াকৈ প্ৰয়োগ হয়। ব্ৰাছৰে পাতলকৈ উদ্দীপক সানি প্ৰয়োগ কৰা হয়।

সাধাৰণতে বছৰি দুই বা তিনিবাৰ প্ৰয়োগ (এপ্ৰিল, চেপ্তেম্বৰ আৰু নবেম্বৰ মাহত) কৰা হয়। তিনিবছৰৰ অধিক সময়ৰ বাবে উদ্দীপক একেৰাহে ব্যৱহাৰৰ পাচত বন্ধ কৰিব লাগে।

**সাবধানতা ঃ**

- দৈনিক টেপিং কৰা গছত উদ্দীপক ব্যৱহাৰ নকৰিব।
- দেৰিলৈকে লেটেক্স ওলাই থকা গছত উদ্দীপক ব্যৱহাৰ নকৰিব।
- বৰষুণৰ বতৰত উদ্দীপক ব্যৱহাৰ নকৰিব।
- আগতে উদ্দীপক কৰা অংশ টেপিং কৰিলৈহে নতুন অংশত উদ্দীপক প্ৰয়োগ কৰিব।

**বৰষুণৰ পৰা প্ৰতিৰোধ ঃ** বৰষুণৰ বতৰত টেপিং কাৰ্য্য অব্যাহত ৰাখিবলৈ হলে টেপিং পেনেলৰ ওপৰত এখন পলিথিন/প্লাষ্টিকৰ সাহাৰ্য্যত বৰ্ষাপ্ৰতিৰোধক লগাই টেপিং কৰা হয়। এই ব্যৱস্থাৰ দ্বাৰা অন্তত বছৰি ৩৫/৪০ দিন অধিক টেপিং কৰিব পাৰি।

**বৰ্ষা প্ৰতিৰোধক প্ৰয়োগৰ সামগ্ৰী ঃ**

বিভিন্ন ধৰণৰ বৰ্ষা প্ৰতিৰোধক ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰে ভিতৰত পলিথিনৰ আৱৰণ দিয়া পদ্ধতি অধিক প্ৰচলিত। ইয়াৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰী সমূহ (৩০০ জোপা গছৰ ক্ষেত্ৰত) তলত দিয়া হ'ল—

১। এল ডি পি ই (L D P E) পলিথিন ৩০০ গেজৰ ৪৫ ছেন্টিমিটাৰ বহল ১২ কেজি।

PH 35

২। বিটুমিনাচ ৰেইন গাৰ্ড কম্পাউণ্ড — ৩০ কেজি

৩। মাৰ্কিন কাপোৰ — ৬ মিটাৰ

৪। ষ্টেপলৰ আৰু পিন।

**টেপিং পদ্ধতিৰ নামাকৰণ ঃ** টেপিং কৰা পদ্ধতি সহজে বুজাবলৈ সংক্ষিপ্ত ভাবে কিছু আখৰৰ ব্যৱহাৰৰ সহায়ত প্ৰকাশ কৰা হয়। যেনে প্ৰচলিত অৰ্দ্ধগোলাকাৰ পদ্ধতিৰ বাবে ½ S আৰু দৈনিক বা দিনৰ অন্তৰ বুজাবলৈ d/1, d/2, d/3 আদি আৰু পেনেল সমূহ বুজাবলৈ A, B, C, D আদি ব্যৱহাৰ কৰা হয়। আজিকালি পেনেল সমূহ BO-1, BO-2, BI-1, BI-2 আদি নামাকৰণ কৰা হয়।

**টেপিংৰ বিশ্ৰাম ঃ** শীতকালত বায়ুমণ্ডলৰ তাপমান কমি যায় আৰু গছৰ পাতবোৰ সৰি যায়। যেতিয়া গছত পাত নাথাকে আৰু তাপমান ১৫° চেলচিয়াচতকৈ কমি যায় আৰু লেটেক্সত ৰবৰৰ পৰিমান ২০% ৰ তললৈ নামে তেতিয়া টেপিং বন্ধ কৰিব লাগে। এপ্ৰিল মাহত যেতিয়া পুনৰ অনুকূল পৰিবেশ ঘূৰি আহে তেতিয়া টেপিং আৰম্ভ কৰা হয়।

**টেপিং পেনেল সংৰক্ষণ ঃ** শীতকালত গছবোৰ জিৰণি দিয়াৰ সময়ত টেপিং পেনেলবোৰত ইন্দোফিল এম ৪৫ নামৰ ভেকুৰ নাশক ঔষধ প্ৰয়োগ কৰিব লাগে। পিছত ৰবৰ কোট (Rubber Kote) প্ৰয়োগ কৰি গছডালক সংৰক্ষিত কৰিব লাগে।

**মনত ৰাখিবলগীয়া ঃ**

- ❖ টেপিং কৰা কটাৰী সদায় ধাৰদি ৰাখিব লাগে।
- ❖ উপযুক্ত পৰিধি প্ৰাপ্ত নহলে টেপিং আৰম্ভ কৰিব নালাগে।
- ❖ টেপিং কৰা পেনেলটো বাওফালে ওখৰ পৰা সোফালে তলত হ'ব লাগে। ঢালটো উপযুক্ত কোনত ৰাখিব লাগে।
- ❖ দৈনিক, টেপিং নকৰিব। এনেকৰিলে সহজেই 'ব্ৰাউন বাষ্ট' হ'ব পাৰে।
- ❖ সদায় জোখৰ দ'লৈ টেপিং কৰিব।
- ❖ বাকলি পৰিমিত ভাবে ক্ষয় কৰিব।
- ❖ কাপ আৰু স্পাউট সদায় পৰিস্কাৰ কৰি ৰাখিব।
- ❖ খুব পুৱাতেই টেপিং কৰিব আৰু সময় মতেহে সংগ্ৰহ কৰিব।

ৰবৰ বোৰ্ডৰ সহায়ত উপযুক্ত প্ৰশিক্ষণলৈহে টেপিং আৰম্ভ কৰিব লাগে। বোৰ্ডৰ হ্ৰস্মাদী (৭ দিনৰ) আৰু দীৰ্ঘম্যাদী (১ মাহৰ) প্ৰশিক্ষণ কাৰ্য্যসূচী আছে।

Published by Rubber Board, Zonal Office,
Guwahati - 781 006 as on 9-1-07